

# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ







**সামাজিক কৰ্মদক্ষতাৰ স্বীকৃতি**

## ড° জয়শ্ৰী দেৱীক ‘সেৱাৰত্ন বঁটা’ প্ৰদান

**গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ** ‘গোৱালপৰীয়া লোকগীত ঃ প্ৰাচুৰ্য আৰু বৈচিত্ৰ্যৰ সমাহাৰ’ শীৰ্ষক গ্ৰন্থ ৰচনাৰে অসমীয়া সাহিত্যত খোজ পেলোৱা ড° জয়শ্ৰী দেৱী এগৰাকী আধুনিক-শাস্ত্ৰীয় সংগীতৰ নীৰৱ সাধক। তেওঁৰ কাপমৈলামেৰে নিগৰা বিভিন্ন চিন্তাগধুৰ লিখনি অসমৰ বহুল প্ৰচাৰিত কাকতত প্ৰকাশ পাইছে। সামাজিক কৰ্মদক্ষতাৰ স্বীকৃতি হিচাপে ১৬ ডিচেম্বৰত শ্বিলঙৰ ষ্টেট কনভেনচন চেণ্টাৰত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তেওঁক ‘সেৱাৰত্ন বঁটা’ প্ৰদান কৰা হয়। উল্লেখ্য যে ইণ্টিগ্ৰেটেড গ্ল’বেল ইউনিভাৰ্ছিটীৰ উদ্যোগত, দীনদয়াল উপাধ্যায় ফাউণ্ডেচন- সনাতন আখৰা পৰিষদৰ সহযোগত এইগাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটি শ্বিলঙৰ ষ্টেট কনভেনচন চেণ্টাৰত অনুষ্ঠিত হৈছিল। এই অনুষ্ঠানৰ জৰিয়তে বিভিন্ন প্ৰান্তৰ সামাজিক কৰ্মদক্ষ লোকক উৎসাহিত কৰাৰ বাবে সেৱাৰত্ন বঁটা প্ৰদান কৰি আহিছে। এই অনুষ্ঠানতে কৰ্মদক্ষতাৰ স্বীকৃতি হিচাপে ড° জয়শ্ৰী দেৱীকো এইবেলি এই সন্মান যাঁচে। মন কৰিবলগীয়া যে ড° জয়শ্ৰী দেৱীয়ে চলিত বৰ্ষত ২৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া-সাংস্কৃতিক উৎসৱত ‘বেষ্ট ক্লাচিকেল ভ’কেল মিউজিক এৱাৰ্ড’ প্ৰদান কৰিছিল। তদুপৰি নৰ্থ-ইষ্ট লাইফ টুডেৰ দ্বাৰা আয়োজিত সংগীত সাধনা বঁটা ২০২৩, সপ্তক সংগীত কলা বিদ্যালয়, গুৱাহাটী আৰু নিৰ্মল এডুকেচনেল ট্ৰাষ্টে উত্তৰ-পূৰ্বাঞ্চল সংগীত সাধনা সন্মান ২০২৪ প্ৰদান কৰিছিল। লেখক আৰু সংগীত সাধনাৰে আগবঢ়া ড° জয়শ্ৰী দেৱী বৰ্তমান গুৱাহাটীৰ বাসিন্দা।

## আজিৰ পৰা কামৰূপ (ম) জিলাত ‘প্ৰশাসন গাঁৱৰ ফালে’ অভিযান

**ষ্টাফ ৰিপ’ৰ্টাৰ, ১৮ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্থ ‘সুশাসন সপ্তাহ’ৰ সৈতে সংগতি ৰাখি কাইলৈ অৰ্থাৎ ১৯ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ ‘প্ৰশাসন গাঁৱৰ ফালে’ শীৰ্ষক অভিযান কামৰূপ মহানগৰ জিলাত আৰম্ভ হ’ব। প্ৰশাসনযন্ত্ৰক স্বচ্ছ আৰু নিকাকৰণৰ লগতে গ্ৰামাঞ্চলৰ জনতাৰ কাষলৈ লৈ যোৱাটোৱে এই সপ্তাহৰ অন্যতম প্ৰধান লক্ষ্য। তদুপৰি ৰাজহুৱা অভিযোগ তথা সমস্যাসমূহৰ ক্ষিপ্ৰ নিষ্পত্তিকৰণো এই সপ্তাহ পালনৰ আন এক বিশেষ বৈশিষ্ট্য। সেই অনুসৰি ১৯ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ পুৱা ১০ বজাৰ পৰা কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত গুৱাহাটী, দিছপুৰ, চন্দ্ৰপুৰ, সোণাপুৰ আৰু আজাৰা ৰাজহচক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লগতে চন্দ্ৰপুৰ, ডিমৰীয়া আৰু ৰাণী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত সংশ্লিষ্ট ৰাজহুৱা অভিযোগ তথা সমস্যাসমূহ নিষ্পত্তি কৰা হ’ব। উক্ত বিশেষ শিবিৰত সংশ্লিষ্ট ৰাজহচক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়া দায়িত্বত নিয়োজিত হৈ থাকিব।

**ধুবুৰীত ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল, স্কুটী-আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰি মন্ত্ৰী অতুল বৰা**

# গুণগত শিক্ষাত চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে

**আমাৰ বিশেষ খবৰ, ধুবুৰী,১৮ ডিচেম্বৰ ঃ** ‘ছাত্ৰ-ছাত্ৰীসকল হ’ল দেশৰ ভৱিষ্যৎ। ছাত্ৰ-ছাত্ৰীৰ সুবিধা আৰু উন্নতিৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনি ৰূপায়ণ কৰা হৈছে। গুণগত শিক্ষাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। চাইকেল, স্কুটীয়ে নিশ্চয় ছাত্ৰ-ছাত্ৰীৰ অহা-যোৱাৰ কাৰণে সহায় কৰিব এইমন্তব্য মন্ত্ৰী অতুল বৰাৰ। আজি ধুবুৰীৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত অনুষ্ঠিত সভাত মেধাৱী ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুটী, চাইকেল বিতৰণ অনুষ্ঠানতপ্ৰধান অতিথিৰ ভাষণত এইদৰে কয়। সভাত ‘জিলা আয়ুক্ত দিবাকৰ নাথে উল্লেখ কৰে যে চৰকাৰে ছাত্ৰীসকলৰ dropout ৰ সংখ্যা হ্ৰাস আৰু নামভৰ্তিৰ সংখ্যা বৃদ্ধি কৰাৰ উদ্দেশ্যে বিনামূলীয়া চাইকেল প্ৰদান কৰে। তদুপৰি AHSEC ৰ দ্বাৰা অনুষ্ঠিত উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৬০শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰীসকল আৰু ৭৫ শতাংশ নাইবা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰসকলক স্কুটী প্ৰদান কৰা হয় আৰু আনন্দৰাম বৰুৱা বঁটা SEBA ই অনুষ্ঠিত কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১ ম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক নগদ ধনৰাশি প্ৰদান কৰা হয়। ধুবুৰী জিলাত ২০,৭২৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে চাইকেল,১১৯৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বাণীকান্ত বঁটা আৰু ৮৭২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে আনন্দৰাম বৰুৱা বঁটা লাভ কৰিছে। ইপিনে, বিকাশৰ ১২ দিনৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি ধুবুৰী জিলাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চাইকেল, স্কুটী আৰু আনন্দৰাম বৰুৱা বঁটা বিতৰণ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অতুল বৰা। RTPS ৰ আয়ুক্ত আৰু NTPC Green Energy ৰ স্বাধীন সঞ্চালক বিমল অছৱাল, গৌৰীপুৰৰ বিধায়ক নিজানুৰ ৰহমান, বিলাসীপাৰা পশ্চিমৰ বিধায়ক হাফিজ বাছিৰ আহমেদ, গৌৰীপুৰ -ধুবুৰী উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দীপক কুমাৰ সাহা, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী কাউন্সিলৰ জীৱেশ ৰয়, ধুবুৰী পৌৰসভাৰ পৌৰপতি ড° দেৱোময় সান্যাল, ধুবুৰী জিলা আয়ুক্ত দিবাকৰ নাথ, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল,শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী প্ৰমুখ্যে ৰাইজ আৰু অভিভাৱকসকল উপস্থিত থাকে।



# লোমহৰ্ষক হত্যাকাণ্ডই কঁপাইছে চামগুৰিৰ চাংচকী

**এজনক হত্যা , গুৰুতৰভাৱে আহত ২ ঃ মূল অভিযুক্তৰ পলায়ন ঃ আটক ৪**

**আমাৰ খবৰ, বঢ়মপুৰ, ১৮ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত বালিজুৰি চাংচকীত যোৱা নিশা এক লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হয়।এই ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন দুজন লোক গুৰুতৰভাৱে আহত হয়।স্থানীয় লোকৰ অভিযোগ অনুসৰি হত্যাকাণ্ডৰ মূল অভিযুক্ত হাছেন আলীয়ে চুলাই মদ সেৱন কৰি নিজ গাঁৱৰে ৰছিদুল আলীৰ ঘৰৰ সন্মুখত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। দৈনিক চুলাই মদ সেৱন কৰি নিশা হ’লেই হাছেন আলীয়ে প্ৰতিৱেশী লোকক অকথ্য গালি-গালাজ পাৰি আহিছিল। পূৰ্বে প্ৰতিৱেশীয়ে হাছেন আলীক এনেধৰণৰ পৰিৱেশ সৃষ্টি নকৰিবলৈ সকিয়নী দি আহিছিল। কালি নিশাও হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰি পৰিৱেশ বিনষ্ট কৰাৰ বাবে ৰছিদুল আলীয়ে হাছেন আলীক পূৰ্বৰ দৰে সকীয়নি দিছিল। ইয়াতে খঙত অগ্নিশৰ্মা হৈ হাছেন আলীয়ে ৰকিবুল হুছেইন আৰু হুছেইন আলীৰ সহযোগত ৰছিদুল আলীৰ পৰিয়ালৰ ওপৰত জঁপিয়াই পৰে। হাতত চোকা অস্ত্ৰ লৈ আক্ৰমণ কৰাত ৰছিদুল আলী (২৫) ৰ থিতাতে মৃত্যু হোৱাৰ লগতে একে পৰিয়ালৰ মাৰ্জিনা খাতুন (৩৪) আৰু কাছেম আলী (৩৪) গুৰুতৰভাৱে আহত হোৱাত আৰক্ষীৰ সহযোগত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতাললৈ প্ৰেৰণ কৰা হয়। আৰক্ষীয়ে নিশাই ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে অভিযুক্ত গুদ্দু ভেংৰা, মকিবুল হুছেইন, মাজিদা বেগম আৰু ৰেহেনা বেগমক আটক কৰে যদিও মূল অভিযুক্ত হাছেন আলীক গ্ৰেপ্তাৰ কৰিব পৰা নাই। অভিযুক্ত হাছেন আলীক বিচাৰি নিশাৰে পৰা আৰক্ষীয়ে তালাচী তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে মূল অভিযুক্ত হাছেন আলীয়ে দৈনিক চুলাই মদ সেৱন কৰি নিশা হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰিছিল। চলচলি, বালিজুৰি আদি অঞ্চলত থকা অবৈধ চুলাই মদৰ ভাটিত মদ সেৱন কৰি অহাৰ ফলতেই অৱশেষত চুলাই মদেই কাল হ’ল হাছেন আলীৰ। নিচাসক্ত অৱস্থাত ধৈৰ্য হেৰুৱাই অৱশেষত লোমহৰ্ষক হত্যাকাণ্ডৰ দৰে ঘটনা সংঘটিত কৰি পলাতক হৈ থকা হাছেন আলীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ দাবী জনাইছে চলচলি ,বালিজুৰি অঞ্চলৰ ৰাইজে।



**ক্ষোভিত ভোটাৰ ৰাইজ**

## মেধিৰটাৰী গাঁও পঞ্চায়তৰ ভোটাৰ তালিকাত খেলিমেলি

**আমাৰ খবৰ, মন্দিয়া, ১৮ ডিচেম্বৰ ঃ** ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ইতিমধ্যে খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰি উলিওৱা হৈছে যদিও কোনো কোনো পঞ্চায়তত অযুক্তিকৰভাৱে এটা কেন্দ্ৰৰ পৰা আন এটা কেন্দ্ৰলৈ ভোট স্থানান্তৰ কৰা কাৰ্যই উদ্বিগ্নতাৰ সৃষ্টি কৰিছে ভোটাৰসকলৰ মাজত। জানিব পৰা মতে ৭৭ নং মেধিৰটাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত তেতলিৰতল গাঁৱত সোঁঅংশ আৰু বাওঁঅংশ মিলি ২১৩৮ টা ভোট আছে। ইয়াৰে সোঁ অংশত ১১৬৬ টা আৰু বাওঁঅংশত ৯৭২ টা ভোট আছিল। আশ্চৰ্যজনকভাৱে উক্ত কেন্দ্ৰৰ বাওঁঅংশৰ পৰা ৩২৭ টা ভোট কৰ্তন কৰি বৰপাল্লী ভোটগ্ৰহণ কেন্দ্ৰলৈ স্থানান্তৰ কৰা হৈছে। য’ত আগতে ১১২০ জন ভোটাৰ আছে। স্মৰ্তব্য যে এনেদৰে ভোট স্থানান্তৰ কাৰ্যত খামখেয়ালীকৈ একে পৰিয়ালৰ স্বামীক এটা কেন্দ্ৰ আৰু পত্নীক আন এটা কেন্দ্ৰত সন্নিৱিষ্ট কৰা পৰিলক্ষিত হৈছে। এনে টোঘলকী কাণ্ডই ভোটাৰসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। সম্প্ৰতি নাম কৰ্তন আৰু স্থানান্তৰ হোৱা ভোটাৰসকলে তেওঁলোকৰ নাম পূৰ্বৰ ভোট গ্ৰহণ কেন্দ্ৰৰ ভোটাৰ তালিকাত সন্নিৱিষ্ট কৰিবলৈ দাবী উত্থাপন কৰিছে। এই উদ্দেশ্যৰে আজি বৰপেটা জিলা আয়ুক্ত (পঞ্চায়ত)ৰ ওচৰত তিনিদফীয়া দাবী সম্বলিত এক স্মাৰকপত্ৰ প্ৰদান কৰাৰ উপৰি অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্ত, মন্দিয়া উন্নয়ন খণ্ড বিষয়া আৰু ৭৭ নং মেধীৰ টাৰী গাঁও পঞ্চায়ত সচিবক ইয়াৰ প্ৰতিলিপি প্ৰদান কৰা বুলি আবেদনকাৰীসকলে জানিবলৈ দিয়ে। এই সন্দৰ্ভত মন্দিয়া খণ্ড উন্নয়ন বিষয়াই আপত্তিকাৰীসকলৰ সমস্যা সমাধান কৰিব বুলি আশ্বাস প্ৰদান কৰিছে।

**চিৰাঙত ‘উন্নয়নৰ বাবে ১২ দিন’ৰ কাৰ্যসূচীত মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস**

## বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীক আৰ্থিক সাহায্য প্ৰদান



**আমাৰ খবৰ, চিৰাং, ১৮ ডিচেম্বৰ ঃ** ৰাজ্যজুৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ‘উন্নয়নৰ বাবে ১২ দিন’ৰ পদক্ষেপৰ অংশ হিচাপে আজি চিৰাং জিলা সদৰ কাজলগাঁওস্থিত পেৰেড গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানৰ জৰিয়তে বিভিন্ন কল্যাণকামী আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰীৰ মাজত বিত্তীয় সাহায্য প্ৰদান কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসে মুখ্য অতিথি হিচাপে উপস্থিত থাকি চিৰাং জিলাৰ ৩৮৩ গৰাকী মহিলা হিতাধিকাৰীৰ মাজত ‘ক্ষুদ্ৰ বিত্ত প্ৰৰোচনা আৰু সাহায্য আঁচনি’ৰ অধীনত ন’ ডিউচ চাৰ্টিফিকেট প্ৰদান কৰে। তদুপৰি মন্ত্ৰী দাসে শেহতীয়া বানত ক্ষতিগ্ৰস্ত জিলাখনৰ ৮ টা পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে অঞ্চলটোৰ উদ্যোগী আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলক সহায় কৰা ‘বীজ মূলধন আঁচনি’ৰ অধীনত৫৬ গৰাকী হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে। সভাত ভাষণ প্ৰসংগত মন্ত্ৰী দাসে মহিলাসকলক ঋণমুক্ত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ এই পদক্ষেপে বিশেষভাৱে সহায় কৰিছে বুলি দাবী কৰে। সভাত উপস্থিত থাকি নিজ ভাষণত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা সৱলীকৰণ, নৱ প্ৰজন্মক আত্মনিৰ্ভৰশীল আৰু স্বাৱলম্বী হিচাপে গঢ়ি তোলাৰ উপৰি দেশ তথা ৰাজ্যখনৰ আৰ্থ-সামাজিক বিকাশৰ পোষকতা কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা বিভিন্ন কল্যাণকামী আঁচনিৰ জৰিয়তে সৰ্বসাধাৰণ বিশেষভাৱে উপকৃত হৈছে। লগতে সভাত চিৰাং জিলা আয়ুক্ত যতীন বৰাই এই কল্যাণমূলক আঁচনিসমূহৰ পৰিসৰ আৰু স্থানীয় লোকৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে ব্যক্ত কৰে। অনুষ্ঠানত বিটিচিৰ উপাধ্যক্ষ অভিৰাম মহানায়ক, এম চি এল এ প্ৰদীপ কুমাৰ বয়ন, বিজেপিৰ চিৰাং জিলাৰ সভাপতি ৰতন ৰায়ৰ উপৰিও চিৰাং জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়ববীয়া উপস্থিত থাকে।

**কামৰূপ (ম) জিলা পৰিবহণ বিভাগৰ উদ্যোগ**

## ‘ৰাইজৰ সেৱা ৰাইজৰ পদূলিত’ শীৰ্ষক বিশেষ কাৰ্যসূচী



**আমাৰ খবৰ, ক্ষেত্ৰী, ১৮ ডিচেম্বৰ ঃ** কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগৰ উদ্যোগত আজি ডিমৰীয়া সমজিলা কাৰ্যালয়ত ‘ৰাইজৰ সেৱা ৰাইজৰ পদূলিত’শীৰ্ষক পৰিবহণ বিভাগৰ এক বিশেষ সেৱা কাৰ্যসূচী ৰূপায়ণ হয়। দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাই বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰা এই কাৰ্যসূচীত জিলাখনৰ যানবাহনৰ নথিপত্ৰ আৰু কৰ পৰিশোধ বিষয়ক ওজৰ নিষ্পত্তি আৰু সুৰক্ষিত যাতায়াতৰ স্বাৰ্থত বাহনৰ নথি-পত্ৰসমূহ ততালিকে উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰে। জালুকবাৰী সমজিলা কাৰ্যালয়ত এই কাৰ্যসূচীৰ শুভাৰম্ভণিৰ পাছতেই আজি ডিমৰীয়া সমজিলা কাৰ্যালয়ত এই কাৰ্যসূচী ৰূপায়ণ কৰে পৰিবহণ বিভাগে। অনুষ্ঠানত ডিমৰীয়া সমজিলাৰ আয়ুক্ত বিশ্বজিৎ শইকীয়া, অসম পণ্যাগাৰ নিগমৰ উপাধ্যক্ষ ড° তপন দাস,পৰিবহণ বিষয়া গৌতম দাসো উপস্থিত থাকে। এই সন্দৰ্ভতে পৰিবহণ বিষয়া গৌতম দাসে কোনো দুৰ্ঘটনাই যেন এখন ঘৰলৈ বা সমাজলৈ দুখৰ বতৰা কঢ়িয়াই আনিব নোৱাৰে তাৰ বাবে সকলোকে সজাগতা আনিবলৈ আহ্বান জনোৱাৰ লগতে বাহন চলাওঁতে চিট বেল্ট, দুচকীয়া বাহনত হেলমেট পৰিধান আৰু তীব্ৰ বেগ বা সুৰাপান কৰি বাহন নচলাবলৈ সকলোকে আহ্বান জনায়। উল্লেখ্য যে ৩১ ডিচেম্বৰলৈ চলিব পৰিবহণ বিভাগৰ এই বিশেষ কাৰ্যসূচীৰ সময়ছোৱাত যানবাহনৰ অনুজ্ঞাপত্ৰৰ আবেদন তথা নবীকৰণ, কৰ পৰিশোধ, অন্যান্য নথি-পত্ৰৰ সকলো কাম-কাজ সমজিলাৰ কাৰ্যালয়তে কৰিব পাৰিব স্থানীয় ৰাইজে।



सत्यमेव जयते

# प्रधान मंत्री
# Prime Minister

## MESSAGE

It is reassuring to learn about the fourth Sushasan Saptah (Good Governance Week) being observed from December 19-25, 2024. Greetings and best wishes to everyone passionate about delivering good governance.

What is most heartening to note is that 'Prashasan Gaon Ki Ore' campaign continues to be a key element of Good Governance Week. 'Prashasan Gaon Ki Ore' is not merely a slogan, but a transformational effort aimed at bringing effective governance closer to rural people. This is the true essence of grassroots democracy, where development reaches the people.

Good governance holds the key to the nation's progress. A vital aspect is to provide a transparent, efficient and accountable administration that works for the overall welfare and betterment of people.

Good governance however, cannot remain confined to governmental efforts but thrives on whole-hearted participation of people, making them an integral part of governance. With a citizen-centric approach, 'Citizen First' continues to be our guiding principle, as we further simplify the processes and procedures of governance.

It is our firm belief that technology is an effective tool to bring government and citizens closer. The Digital India movement has brought about a transformational shift in making the nation a digitally empowered society and a knowledge economy.

As the nation continues its journey towards building *Viksit Bharat*, may an even larger number of people get connected with governance processes in the coming years.

May the fourth Sushasan Saptah further the cause of good governance at each level of governance. May the Good Governance Week 2024 celebrations be a resounding success.

**(Narendra Modi)**

New Delhi
अग्रहायण 21, शक संवत् 1946
12 December, 2024

অসম চৰকাৰ

Azadi Ka Amrit Mahotsav

**GOVERNMENT OF ASSAM**
**OFFICE OF THE DISTRICT COMMISSIONER**
**KAMRUP METROPOLITAN DISTRICT, GUWAHATI**
**(PFC E DISTRICT BRANCH)**

Telephone – 0361-2540149
Fax – 0361-2544452
E –mail – kamrupmetro@nic.in
Website – www.kamrupmetro.nic.in

No. ADM 40/118/2024/ADM/KMM dt 18/12/24

To,

1. The Circle Officer
   Guwahati / Dispur / Chandrapur / Sonapur / Azara Revenue Circle

2. The Block Development Officer
   Chandrapur, Dimoria & Rani Development Block

Sub : Regarding Implementation of Prashasan Gaon Ki Ore 2024.

Sir,

With reference to the subject cited above, it is hereby informed that the "Prashasan Gaon ki Ore" campaign is being organized as a part of the Good Governance Week 2024, from 19th - 24th December, 2024, In this regards, you are requested to organize special camps/events at every Circle Office/ Block etc. for effective grievance redressal and improving service delivery as per the schedule enclosed.

Matter may be treated as IMPORTANT.

*Enclosed :*
As stated above

Yours faithfully,

District Commissioner
Kamrup Metropolitan District
Guwahati

Memo No. ADM 40/118/2024/ADM/KMM dt 18/12/24

*Copy to :-*

1. The CEO, Kamrup Metropolitan Zilla Parishad, Guwahati.
2. Office file.

District Commissioner
Kamrup Metropolitan District
Guwahati

**SCHEDULE FOR "PRASHASAN GAON KI ORE" CAMPAIGN BEING ORGANIZED AS A PART OF THE GOOD GOVERNANCE WEEK 2024**
**FROM 19TH - 24TH DECEMBER, 2024**

**Roles and Responsibilities :**

1. All Circle Officer/BDO's are requested to make necessary arrangement for the Special Camps
2. The Block Dev. Officer/Circle Officers/other department officers will resolve public grievances in the Special Camps and submit report to the undersigned daily
3. All other department head are requested to depute officers/officials to the Circle Office as per schedule above. They are to ensure disposal off all pending cases on CPGRAMS portal within Grievance Redressal days.
4. Block Dev. Officers/Circle Officers/all Department officers shall ensure wide publicity of the schedule well in advance to create public awareness, enabling citizens to raise their issues in a timely manner
5. Department shall maintain proper video, pictorial and hardcopy of records and submit daily report to this office, facilitating the undersigned to upload data on the portal
6. Departments shall also share the success stories and best practices from the campaign

| Sl. No. | Special Camp Venues | Officer in charge of the Special Camp | Date of receipt and disposal of public grievances |
|---|---|---|---|
| 1 | Office of the Circle Officer, Guwahati Revenue Circle | Circle Officer Guwahati | 19th - 24th December, 2024 from 10:00 AM onwards |
| 2 | Office of the Circle Officer, Dispur Revenue Circle | Circle Officer Dispur | 19th - 24th December, 2024 from 10:00 AM onwards |
| 3 | Office of the Circle Officer, Chandrapur Revenue Circle | Circle Officer Chandrapur | 19th - 24th December, 2024 from 10:00 AM onwards |
| 4 | Office of the Circle Officer, Sonapur Revenue Circle | Circle Officer Sonapur | 19th - 24th December, 2024 from 10:00 AM onwards |
| 5 | Office of the Circle Officer, Azara Revenue Circle | Circle Officer, Azara | 19th - 24th December, 2024 from 10:00 AM onwards |
| 6 | Office of the Block Development Officer, Chandrapur Development Block | Block Development Officer, Chandrapur | 19th - 24th December, 2024 from 10:00 AM onwards |
| 7 | Office of the Block Development Officer, Dimoria Development Block | Block Development Officer, Dimoria | 19th - 24th December, 2024 from 10:00 AM onwards |
| 8 | Office of the Block Development Officer, Rani Development Block | Block Development Officer, Rani | 19th - 24th December, 2024 from 10:00 AM onwards |

District Commissioner
Kamrup Metropolitan District
Guwahati